**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2026 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***
***Headlines***
***00000***

১। মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য যিকোনো সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰীৰ আহ্বান।

২। বিধানসভা নিৰ্বাচনৰ বাবে দাখিল হোৱা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা। ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

৩। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত শাসক-বিৰোধীৰ ব্যাপক প্ৰচাৰ অভিযান।

আৰু

৪। ভোটদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে ছুইপ কাৰ্যসূচীৰ অধীনত ৰাজ্যত বিশেষ ব্যৱস্থা।

০০০০০

মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সম্ভাব্য যিকোনো সংকটৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰতিখন ৰাজ্যক সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনাইছে। আজি ৰাজ্যসভাত দিয়া ভাষণত শ্ৰী মোদীয়ে কয়, যে তিনি সপ্তাহতকৈ অধিক সময় অতিবাহিত হোৱা মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত ভাৰতৰো ব্যৱসায়িক ক্ষেত্ৰত প্ৰভাৱ পৰিছে। খাৰুৱা তেল, গেছ আদিৰ আমদানি প্ৰভাৱিত হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। হৰমুজ প্ৰণালীত বিভিন্ন দেশৰ জাহাজ আৱদ্ধ হৈ আছে আৰু এই জাহাজসমূহত ভাৰতৰ বহু সদস্য কৰ্মী হিচাপে আছে বুলি শ্ৰী মোদীয়ে উদ্বেগ প্ৰকাশ কৰে। এইক্ষেত্ৰত সকলোকে সংযম আৰু পাৰস্পৰিক সহযোগিতা ৰক্ষা কৰি চলিবলৈ শ্ৰী মোদীয়ে আহ্বান জনায়।

বাইট

শ্ৰী মোদীয়ে কয়, যে পশ্চিম এছিয়াৰ প্ৰতি লক্ষ্য ৰাখি দেশত প্ৰয়োজনীয় গেছ আৰু তেলৰ যোগান অটুত ৰাখিবলৈ ভাৰতে বিভিন্ন দেশৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। প্ৰধানমন্ত্ৰীয়ে কালি লোকসভাত মধ্য প্ৰাচ্যৰ শেহতীয়া পৰিস্থিতিক লৈ দিয়া বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই যুদ্ধকালীন পৰিস্থিতিত ভাৰতত হোৱা পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি উদ্বেগজনক বুলি অভিহিত কৰি সুদূৰপ্ৰসাৰী পৰিস্থিতিৰ বাবে দেশ সাজু থাকিব লাগিব বুলি উল্লেখ কৰে। দেশত সম্প্ৰতি ৫৩ লাখ মেট্ৰিকটন পেট্ৰ'লিয়াম জমা আছে আৰু এই ভাণ্ডাৰ ৬৫ লাখ মেট্ৰিকটনলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। দেশৰ শোধন ক্ষমতা বৃদ্ধি কৰাৰ সমান্তৰালভাৱে সাৰুৱা তেল মজুতকৰণৰ অগ্ৰাধিকাৰ দিয়া হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে দাখিল হোৱা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হৈছে। কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে দাখিল কৰা মনোনয়ন পত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া নিৰ্বাচনী বিষয়াই অব্যাহত ৰাখিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ডিমৰীয়া সমষ্টিৰ অসম গণ পৰিষদৰ প্ৰাৰ্থী ড° তপন দাস, কংগ্ৰেছৰ কিশোৰ কুমাৰ বৰুৱা, নিৰ্দলীয় প্ৰাৰ্থীসকল, মধ্য গুৱাহাটীৰ বিজেপিৰ প্ৰাৰ্থী বিজয় কুমাৰ গুপ্তা, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰী, আম আদমি পাৰ্টীৰ অনুৰূপা ডেকাৰজাকে ধৰি প্ৰাৰ্থীসকলৰ মনোনয়ন বৈধ বিবেচিত হৈছে। নিউ গুৱাহাটীত বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মা, কংগ্ৰেছৰ শান্তনু বৰা, দিছপুৰত বিজেপিৰ প্ৰদ্যুৎ বৰদলৈ, কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামী আৰু নিৰ্দলীয় প্ৰাৰ্থী জয়ন্ত কুমাৰৰ দাসৰ মনোনয়ন বৈধ ঘোষণা কৰা

হৈছে। দিছপুৰত নিৰ্দলীয় প্ৰাৰ্থী আয়ুষ কুমাৰ সিঙৰ মনোনয়ন বাতিল হৈছে। জালুকবাৰীত বিজেপিৰ ডঃ হিমন্ত বিশ্ব শৰ্মা, কংগ্ৰেছৰ বিদিশা নেওগ আৰু নিৰ্দলীয় প্ৰাৰ্থী দীপিকা দাসৰ মনোনয়ন বৈধ বিবেচিত হৈছে। মাজুলী জিলাত আজি মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত আটাইকেইগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছে। বিজেপিৰ ভূৱন গাম, কংগ্ৰেছৰ ইন্দ্ৰনীল পেগু আৰু এছ ইউ চি আইৰ ভাইটী ৰিছঙৰ প্ৰাৰ্থিত্ব নিশ্চিত হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাত মনোনয়ন দাখিল কৰা সাতগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পৰীক্ষাৰ অন্তত আটাইকেইগৰাকীৰে মনোনয়ন বৈধ ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে কালি অন্তিম দিনালৈ মুঠ ১২৬টা সমষ্টিৰ বাবে ৮১৮ গৰাকী প্ৰাৰ্থীয়ে এহেজাৰ ৩৯১ খন মনোনয়ন পত্ৰ দাখিল কৰিছিল। পৰহিলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

oooo

বিধানসভা নিৰ্বাচনৰ বাবে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ভৱানীপুৰ-সৰভোগ সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত কুমাৰ দাসৰ সমৰ্থনত প্ৰচাৰ চলাবলৈ প্ৰায় ২৫ কিলোমিটাৰ জোৰা জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে গৰখীয়া গোসাঁই থানত সেৱা আগবঢ়াই নিৰ্বাচনী প্ৰচাৰ সুকলমে সমাপন কৰিবলৈ আশীৰ্বাদ লয়।

একেদৰে, কংগ্ৰেছৰ নেতাসকলেও ৰাজ্যৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, দেৱব্ৰত শইকীয়া আৰু মীৰা বৰঠাকুৰেও নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ লয়। প্ৰদেশ কংগ্ৰেছৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভাগ ল'বলৈ সাংসদ ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী আৰু এ আই চি চিৰ সভাপতি অসমলৈ আহিব। কংগ্ৰেছৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এ আই চি চিৰ কেইবাজনো শীৰ্ষ নেতাই দলটোৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ লগতে ৰাহুল গান্ধীয়ে নিৰ্বাচনী ইস্তাহাৰ উন্মোচন কৰিব। এই সন্দৰ্ভত দলৰ মুখপাত্ৰ বেদব্ৰত বৰাই এইদৰে কয়-

বাইট

কামৰূপ জিলাৰ হাজো-শুৱালকুছি বিধানসভা সমষ্টিত বিজেপি দলৰ নিৰ্বাচনী সভাত এন ডি এ সমৰ্থিত প্ৰাৰ্থী অগপৰ প্ৰকাশ দাসৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলোৱা হয়।

ooooo

ভোটদানৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ অৰ্থাৎ ছুইপ কাৰ্যসূচীৰ অধীনত ৰাজ্যত এলানি বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে নাগৰিকসকলৰ মাজত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি দায়বদ্ধতা সৃষ্টি কৰিবলৈ অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ তত্বাৱধানত জিলাই জিলাই ভোট দাতাৰ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ইয়াৰ অংশ হিচাপে বাটৰ নাট, চিত্ৰাংকন প্ৰতিযোগিতা, আল্পনা প্ৰতিযোগিতা, শ্লোগান লিখন, দেৱাল লিখন, বাতৰি পৰিৱেশন আৰু পোষ্টাৰ প্ৰস্তুতকৰণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাত ভোটদাতাসকলক আকৰ্ষণৰ বাবে শুভংকৰ মুকলি কৰাৰ উপৰি জনপ্ৰিয় ব্যক্তিত্বক আইকন হিচাপে লৈ সজাগতা সৃষ্টি কৰা হৈছে। লখিমপুৰ জিলাত শুভংকৰ **বাখৰ** , শোণিতপুৰত **গণবন্ধু**, যোৰহাটত **যোলৌ**, গোলাঘাটত **চামেলি** আৰু কোকৰাঝাৰৰ শুভংকৰ **ডিমলু আৰু চিখিৰি**য়ে জসাধাৰণক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। যোৰহাটত অভিনৱ বৰাক আৰু লখিমপুৰত ৰাজীৱ দুৱৰীক ছুইপ আইকন হিচাপে লোৱা হৈছে। নিৰ্বাচনৰ ৰাজ্যিক আইকন পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে জিলাসমূহত আয়োজন কৰা বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিব।

বাক্সা জিলাৰ চুইপ কোষৰ উদ্যোগত আজি ডুমুনী চাহ বাগিছাত ভোটাৰ সজাগতা বৃদ্ধিৰ লক্ষ্যৰে এটা সমদল উলিওৱা হয়। ইয়াৰ লগতে বুথ পৰ্যায়ৰ বিষয়া, আত্মসহায়ক গোটৰ সদস্য, অংগনবাড়ী কৰ্মীৰ অংশগ্ৰহণেৰে গছপুলি ৰোপন কাৰ্যসূচী আয়োজন কৰি ডাক বেলট ব্যৱস্থাৰ বিষয়ে বিতংভাৱে ব্যাখ্যা কৰা হয়।

০০০০০০০

বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলা প্ৰশাসনসমূহে নিৰ্বাচনী বিষয়াৰ প্ৰশিক্ষণকে ধৰি সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনে মানকাচৰ সমষ্টিৰ ৪০২ টা ভোটগ্ৰহণ কেন্দ্ৰৰ দায়িত্বত থকা বুথ পৰ্যায়ৰ বিষয়াসকলক আজি প্ৰশিক্ষণ প্ৰদান কৰে। একেদৰে বজালী জিলাতো নিৰ্বাচনী বিষয়াসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। জিলাখনৰ বজালী আৰু ভৱানীপুৰ-সৰভোগ সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে দুহেজাৰ ১৬৮ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে। জিলাখনৰ নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষক এছ্ গণেশ আৰু ব্যয় পৰ্যবেক্ষক ধীৰেন্দ্ৰ কুমাৰে জিলা আৱৰ্ত ভৱনত বাহৰ পাতি নিৰ্বাচনী কাম-কাজসমূহ পৰ্যালোচনা কৰি আছে। বাক্সা জিলাতো বিধানসভা নিৰ্বাচন নিয়াৰি আৰু শৃংখলাবদ্ধভাৱে সম্পাদনা কৰিবলৈ ভোটগ্ৰহণ বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন কৰে। জিলা নিৰ্বাচনী বিষয়াই জানিবলৈ দিয়া অনুসৰি জিলাখনৰ দুটা বিধানসভা সমষ্টিত মুঠ ৫০২টা ভোটকেন্দ্ৰ আছে। এই কেন্দ্ৰসমূহত নিয়োজিত ৫৭৮গৰাকী তৃতীয় ভোটগ্ৰহণ বিষয়াৰ আজি প্ৰশিক্ষণ সম্পন্ন হয়।

০০০০০০০

**সমাপ্ত**